# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ৪ জুন তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদা সম্পন্ন খলিফা ৰাশেদা ফাৰুক আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলী সম্পৰ্কে বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ - بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ - اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ - الرَّحْمٰنِ الرَّحِيْمِ - مٰلِكِ يَوْمِ الدِّيْنِ - اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ - اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ - صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ -

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা জুমাৰ খোতবাত মই হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে আলোচনা কৰিছিলোঁ য'ত যুদ্ধ আৰু সৰু সৰু সামৰিক বাহিনী সম্পৰ্কে উল্লেখ কৰা হৈছিল। হামৰাউল আছিদৰ যুদ্ধ সম্পৰ্কে হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে লিখিছে যে উহুদৰ যুদ্ধৰ পিছত যেতিয়া কুৰাইছ সকলে মক্কালৈ বাট ধৰিছিল তেতিয়া বাটতে তেওঁলোকৰ মাজত বিতৰ্কৰ সুত্ৰপাত ঘটিছিল যে এই বিজয়ৰ সুযোগ লৈ মদিনাৰ ওপৰত আক্ৰমণ চলোৱা যাওঁক। কিছুমান আগৰণুৱা লোকৰ পৰামৰ্শ অনুযায়ী কুৰাইছৰ সৈন্য সকলে মদিনাৰ ফালে যাবলৈ সাজু হৈ গৈছিল। যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে এই সম্পৰ্কে খবৰ পাইছিল তেতিয়া তেখেত (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ক পৰামৰ্শ দিবলৈ মাতি পঠিয়াইছিল। এখেত দুয়োজনেই কুৰাইছ সৈন্যৰ পিছানুসৰণ কৰিবলৈ পৰামৰ্শ দিছিল। তৎক্ষণাত আঁ-হজৰত (ছাঃ)য়ে ঘোষণা কৰি দিয়ে যে উহুদৰ ময়দানত যোগদান কৰা মুছলমান সকলে সষ্টম হ'ব লাগে। গতিকে উহুদৰ যুদ্ধত আহত হোৱা যুদ্ধা সকলে বৰ আনন্দৰ সৈতে নিজৰ প্ৰিয়তমৰ নেতৃত্বত সমলৈ ওলাই পৰিছিল। আঠ মাইলমান দূৰ অতিক্ৰম কৰি গৈ তেখেত (ছাঃ)য়ে হামৰাউল আছদত উপস্থিত হয় আৰু বিভিন্ন ঠাইত জুই জ্বলাই ল'বলৈ আদেশ দিয়ে। ৰাতিৰ এন্ধাৰত পোহৰাই থকা পাঁচশ জুই কুৰায় দূৰৰ পৰা দেখোতা সকলৰ হৃদয়ত ভয় সঞ্চাৰ কৰিছিল। এনে অৱস্থাত খজাআ কবিলাৰ মুআবিদ নামি মুশৰিক নেতা এজনে আহি আঁ-হজৰত (ছাঃ)ৰ ওচৰত উপস্থিত হৈছিল আৰু উহুদৰ যুদ্ধত নিহত সকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছিল। পিছ দিনাখন তেওঁ আবু ছুফিয়ানক লগ ধৰি মুছলমান সকলৰ দুৰ্জয় সাহস সম্পৰ্কে অৱগত কৰে। মুআবিদৰ কথাত আবু ছুফিয়ান আৰু অন্যান্য কুৰাইছ সকলৰ মাজত এনেকুৱা আতঙ্ক সৃষ্টি হৈছিল যে তেওঁলোকে মক্কালৈ ওভতি যোৱাটোৱে ভাল বুলি ভাৱিছিল।

পাঁচ হিজৰি চনৰ শাবান মাহত বনু মুস্তালিকৰ যুদ্ধ সংগঠিত হৈছিল। এই যুদ্ধ সম্পৰ্কে মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে কুৰাইছ সকলৰ প্ৰৰোচনাত খাজাআ কবিলাৰ এটা গোত্ৰই অৰ্থাৎ বনু মুস্তালিকে মদিনা আক্ৰমণৰ যো-জা চলাইছিল। আঁ-হজৰত (ছাঃ)য়ে এই খবৰ পোৱাৰ লগে লগে সৈন্য বাহিনী সাজু কৰাৰ আদেশ

দিছিল। গতিকে বহুতো চাহাবা আৰু এটা ডাঙৰ সংখ্যক মুনাফিক সকলেও আহি হুজুৰ (ছাঃ)ৰ লগত যোগ দিছিল। বাটতে কাফিৰ সকলৰ ফালৰ এজন গুপ্তচৰক লগ পাই তাৰ ওচৰত অৱস্থা সম্পৰ্কে বুজ ল'বলৈ নানা প্ৰশ্ন কৰে কিন্তু গুপ্তচৰ জনে সেয়া ক'বলৈ অস্বীকাৰ কৰে। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে যুদ্ধৰ আইন অনুযায়ী গুপ্তচৰ জনক বধ কৰিছিল। অৰ্তকিতে মদিনাৰ ওপৰত বনু মুস্তালিকে আক্ৰমণ চলোৱাৰ পৰিকল্পনা কৰিছিল কিন্তু মুছলমান সকলে এই বিষয়ে উমান পাই সাজু হৈ অহাৰ খবৰ বনু মুস্তালিকে জানিব পাৰি বৰকৈ ভয় খাইছিল। যিয়েই নহওঁক কুৰাইছ সকলে বনু মুস্তালিকক মুছলমান সকলৰ বিৰুদ্ধে শত্ৰুতা কৰিবলৈ এনেকুৱা মতলীয়া কৰি তুলিছিল যে তেওঁ এইবোৰ পৰিস্থিতি জনা সত্বেও যুদ্ধ কৰিবলৈ ক্ষান্ত হোৱা নাছিল। যুদ্ধ আৰম্ভ হৈ গৈছিল,তেতিয়া আঁ-হজৰত (ছাঃ)ৰ বিচক্ষণ প্ৰয়াসৰ ফলত দহজন কাফিৰ আৰু এজন মুছলমানৰ মৃত্যুৰ পিছত বনু মুস্তালিকে চাৰিও ফালৰ পৰা ঘেৰাও হৈ পৰাত আত্মসমৰ্পন কৰিবলৈ বাধ্য হৈ পৰিছিল।

বনু মুস্তালিকৰ যুদ্ধৰ পৰা ওভতি অহাৰ বাটত মুহাজিৰ সকলৰ ফালৰ পৰা কোনো এজন লোকে এজন আনছাৰীৰ পিঠিত আঘাত হানি দিয়ে। যাৰ ফলত লড়াইৰ সুত্ৰপাত ঘটে আৰু দুয়োজনেই নিজৰ নিজৰ ফৈদক সহায় কৰিবলৈ মাতে। যেতিয়া এই ঘটনা আঁ-হজৰত (ছাঃ)ৰ কাণ পাইছিলগৈ, তেখেত (ছাঃ)য়ে দুয়োজনক ভৎৰ্সনা কৰি বিষয়টো তাতেই মীমাংসা কৰি দিছিল। কিন্তু আব্দুল্লাহ বিন আবিয়ে কৈছিল যে মুহাজিৰ এজনে আনছাৰ এজনক মাৰিছে। গতিকে মদিনাত গৈ নিশ্চয় মৰ্যাদা সম্পন্ন সন্মানীয় ব্যক্তি (নাউজুবিল্লাহ) জঘন্য জনক তাৰ পৰা খেদি পঠিয়াম। এই কথা শুনি হজৰত উমৰ (ৰাঃ)য়ে আব্দুল্লাহ বিন আবিক হত্যা কৰিবলৈ অনুমতি বিচাৰিছিল কিন্তু আঁ-হজৰত (ছাঃ)য়ে তেনে কৰিবলৈ অনুমতি দিয়া নাছিল। পিছত যেতিয়া আব্দুল্লাহ বিন আবিৰ কপটতা আৰু ইছলামৰ প্ৰতি থকা শত্ৰুতা পোহৰলৈ আহিছিল তেতিয়া আঁ-হজৰত (ছাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক কৈছিল যে যদি মই তেতিয়া আব্দুল্লাহ বিন আবিক হত্যা কৰিবলৈ অনুমতি দিলোহেঁতেন তেন্তে লোকে সমালোচনা কৰিলেহেঁতেন। কিন্তু এতিয়া যদি তেওঁলোককেই আব্দুল্লাহ বিন আবিক হত্যা কৰিবলৈ আদেশ দিওঁ তেন্তে সিহঁতে নিজেই এওঁক হত্যা কৰি পেলাব।

যেতিয়া ৰছুলে খোদা (ছাঃ)য়ে মুনাফিকৰ নেতা আব্দুল্লাহ বিন আবিৰ নমাজে জানাজা পঢ়াবলৈ লৈছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে নিবেদন কৰিছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ)আল্লাহ তা'লা আপোনাক মুনাফিকৰ নমাজে জানাজা পঢ়াবলৈ মানা কৰিছে। ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল- মোক অধিকাৰ দিয়া হৈছে যে মই ইস্তেগফাৰ কৰো বা ইস্তেগফাৰ নকৰো। এইবুলি তেখেত (ছাঃ)য়ে আব্দুল্লাহ বিন আবিৰ নমাজে জানাজা পঢ়াইছিল। ইয়াৰ পিছত আল্লাহ তা'লাই এই বিষয়ে সম্পূৰ্ণ ৰূপে নিষেধাজ্ঞা জাৰি কৰাৰ পিছত তেখেত (ছাঃ)য়ে মুনাফিক সকলৰ নমাজে জানাজা পঢ়াবলৈ এৰি দিয়ে।

হুদায়বিয়াৰ সন্ধিৰ সময়ত আঁ-হজৰত (ছাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক দূত হিচাপে কুৰাইছ সকলৰ সজ নেতৃবৰ্গৰ ওচৰলৈ প্ৰেৰণ কৰিব বিচৰাত হজৰত উমৰ (ৰাঃ)য়ে হজৰত উচমান (ৰাঃ)ৰ নাম প্ৰস্তাৱ কৰি কৈছিল যে এওঁ কুৰাইছ সকলৰ ওচৰত মোতকৈ বেছি আত্মীয় আৰু সন্মানীয়। গতিকে আঁ-হজৰত (ছাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ পৰামৰ্শ গ্ৰহণ কৰি হজৰত উচমান (ৰাঃ)ক মক্কালৈ পঠিয়াইছিল।

যেতিয়া হুদায়বিয়াৰ সন্ধিৰ চুক্তি পত্ৰৰ চৰ্ত লিখা হৈ আছিল তেতিয়া কুৰাইছে মক্কাৰ দূত ছুহেল পুত্ৰ আবু জন্দলক হাত কেৰেয়া লগাই ভৰিত শিকলি বান্ধি তাত আনি উপস্থিত কৰা হৈছিল। তেতিয়া ছুহেলে এই চৰ্তটো লিখি আছিল যে প্ৰত্যেকজন সেই ব্যক্তি,যিজনে মক্কাবাসীসকলৰ পৰা মুছলমান সকলৰ সৈতে আহি মিলিব তাক

ওভতাই দিব লাগিব। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে ছুহেলক কৈছিল যে এতিয়াও চুক্তি লিখাটো সম্পূর্ণ হোৱা নাই গতিকে দয়া কৰি আবু জন্দলক আমাৰ লগত থাকিবলৈ এৰি দিয়া। কিন্তু ছুহেলে সেয়া মানি ল'বলৈ স্পষ্ট ভাৱে অস্বীকাৰ কৰিছিল। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে আবু জন্দলক ধৈর্য ধৰিবলৈ শিক্ষা দি কৈছিল যে খোদা তা'লাৰ ওপৰত ভৰসা ৰাখা। মুছলমান সকলৰ বাবে দৃশ্য বৰ কষ্টকৰ আছিল। শেষ পর্যন্ত গৈ হজৰত উমৰ (ৰাঃ)য়ে আৰু মনে মনে থাকিব নোৱাৰিছিল। তেখেত (ৰাঃ)য়ে ভগা ভগা কণ্ঠস্বৰে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত নিবেদন কৰিছিল যে কিয় ! আপুনি খোদা তা'লাৰ সত্য ৰছুল নহয়নে ? কিয় ! আমাৰ শত্রুসকলে মিছাৰ ওপৰত বর্তি থকা নাইনে ? তথাপি আমি কিয় এই অপমান সহ্য কৰি থাকিব লগা হৈছে ? আঁ-হজৰত (ছাঃ)য়ে বুজনি দি কৈছিল যে হয় ! মই খোদা তা'লাৰ ৰছুল হওঁ আৰু তাৰ ইচ্ছা সম্পৰ্কে মই জানো আৰু মই তাৰ ইচ্ছাৰ বিৰুদ্ধে যাব নোৱাৰো। হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক বুজনি দি কৈছিল যে হে উমৰ ! নিজকে চম্ভালি লোৱা আৰু ৰছুলুল্লাহ (ছাঃ)ৰ পাদ-পীঠত তুমি যি হাত ৰাখিছা সেয়া ঢিলা হ'বলৈ নিদিবা। হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে খলিফা পদত অধিষ্ঠিত হোৱাৰ আগত জলছা ছালানা (বছৰেকীয়া জলছা) ত প্ৰদান কৰা ভাষণত কৈছিল বেদনা আৰু যন্ত্ৰণাৰ সেই চিঞৰ প্ৰশ্ন হৈ হজৰত উমৰ (ৰাঃ)ৰ অন্তৰৰ পৰা ওলাই আহিছিল, এনে বেদনায় আৰু বহুতৰে বুকুত কষ্ট দিছিল। কিন্তু হজৰত উমৰ (ৰাঃ)য়ে সেয়া প্ৰকাশ কৰিবলৈ সাহস কৰি এনেকুৱা ভুল কৰিছিল যে পিছত গোটেই জীৱন অনুশোচনাত ভুগিছিল। বহুত ৰোজা ৰাখিছিল,বহুত ইবাদত কৰিছিল, বহু ছাদকা প্ৰদান কৰিছিল আৰু ইস্তেগফাৰ কৰিছিল। তেখেত (ৰাঃ)য়ে সদায় দুঃখেৰে সৈতে এয়া কৈ থাকিছিল যে হায় ! মই যদি আঁহুজুৰ (ছাঃ)ক সেই প্ৰশ্ন কেইটা নকৰিলোঁহেঁতেন।

হুদায়বিয়াৰ সন্ধিৰ সময়ত মুছলমান আৰু কুৰাইছ সকলৰ মাজত স্বাক্ষৰিত হোৱা চুক্তি পত্ৰত হজৰত উমৰ (ৰাঃ)য়েও স্বাক্ষৰ কৰিছিল। হুদায়বিয়াৰ পৰা ওভতি অহাৰ বাটত যেতিয়া ছুৰাতুল ফাতাহৰ আয়াত অৱতীর্ণ হৈছিল তেতিয়া হুজুৰ (ছাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক মাতি আনি কৈছিল- মোৰ ওপৰত এতিয়া এনেকুৱা ছুৰা অৱতীর্ণ হৈছে, যি মোৰ ওচৰত জগতৰ সকলো বস্তুতকৈ বেছি প্ৰিয়। হজৰত উমৰ (ৰাঃ)য়ে নিবেদন কৰিছিল যে কিয় ! এই চুক্তি সংগঠিত হোৱাটো ইছলামৰ বিজয় হোৱা সুচায় নেকি ? তেখেত (ছাঃ)য়ে কৈছিল হয়! নিশ্চয় এয়া আমাৰ বিজয়।

হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে কৰা বর্ণনা আগলৈ আৰু চলিব বুলি উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে তলত বর্ণিত মৰহুমিন সকলৰ চমু পৰিচয় দিয়াৰ আৰু নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

মাননীয় শ্বোয়েব আহমদ চাহাব ওৱাকফে জিন্দেগী,এখেত বশিৰ আহমদ চাহাব কালাআফগানা দৰবেশ মৰহুমৰ পুত্ৰ আছিল। ৫৬ বছৰ বয়সত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। এখেতে ছদৰ আঞ্জুমান আহমদীয়াৰ বিভিন্ন বিভাগত কর্মী হিচাপে আৰু অফিচাৰ হিচাপে আৰু নাজিৰ হিচাপে খিদমত আগবঢ়াই থৈ গৈছে। ইনচাৰ্জ দফতৰ উলিয়া আৰু নাজিৰ বায়তুল মাল খৰচ,নাজিম ওৱাকফে জাদিদ মাল, অফিচাৰ জলছা ছালানা আৰু ছদৰ খুদ্দামুল আহদমীয়া ভাৰত হিচাপে এখেতে খিদমত কৰাৰ সৌভাগ্য লভিছিল। ইবাদতৰ ফালে এখেতৰ বৰ মনোযোগ আছিল। নিয়মিত নমাজে তাহাজ্জুদ আৰু নফল আদায় কৰিছিল। খিলাফতৰ প্ৰতি উচ্চ মানৰ আনুগত্য ৰখা কৰিছিল। কোৰ-আন মজিদৰ গভীৰ জ্ঞান আছিল। হজৰত মছীহ মাওউদ (আঃ)ৰ ৰচিত কিতাপ আৰু ছিলছিলাৰ খলিফা সকলৰ ৰচিত কিতাপ সমূহ পঢ়া কৰিছিল। দ্বীনি মালুমাত বৰ বিস্তৃত আছিল,যিকোনো বিষয়তে বাগ্মী আছিল। এখেত চৰিত্ৰবান আৰু সকলোৰে সৈতে মিলিব পৰা লোক আছিল। সকলো শ্ৰেণীৰ লোকক মৰম চেনেহ কৰোঁতা ব্যক্তি আছিল। অভাৱ গ্ৰস্ত আৰু তেখেতৰ অধীনস্থ সকলৰ

প্ৰতি বৰ দৃষ্টি ৰাখিছিল। কাদিয়ানত প্ৰত্যেকেই এখেত মৰহুমৰ প্ৰশংসা কৰি আছে। এখেত বৰ সাহসী আৰু শলাগ লওঁতা ব্যক্তি আছিল। মৰহুম মুচি আছিল। মৃত্যুৰ সময়ত এখেতে পত্নীৰ সৈতে দুজন পুত্ৰ সন্তান এৰি থৈ গৈছে। এখেত জালাল উদ্দিন চাহাব নায়ৰ (ছদৰ আঞ্জুমান আহমদীয়া কাদিয়ানৰ)ৰ জোৱাই আছিল। আল্লাহ তা'লা মৰহুমৰ সৈতে ক্ষমা আৰু দয়াৰ আচৰণ কৰক। এখেতৰ সন্তান আৰু পত্নীক ধৈৰ্য আৰু শান্তি প্ৰদান কৰক আৰু এখেতৰ দৰে নেকি জাৰি ৰখাৰ সৌভাগ্য দান কৰক।

ইয়াৰ পিছৰজন মৰহুমৰ নাম হ'ল মাননীয় মকছুদ আহমদ চাহাব ভট্টি (মুৰববি ছিলছিলা কাদিয়ান) এখেতে ১৮ মে ২০২১ চনত ৫২ বছৰ বয়সত কাদিয়ানত মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুম জমাত আহমদীয়া চাৰকুট,জিলা ৰাজুৰি ৰাজ্য জম্মু-কাশ্মিৰৰ বাসিন্দা আছিল। যদিও মৃত্যুৰ আগৰে পৰাই কাদিয়ানত বস-বাস কৰিছিল। এখেতে ত্ৰিশ বছৰ কাল জমাতৰ খিদমত আগবঢ়াই থৈ গৈছে। এখেতে আমিৰ লক্ষ্ণৌ আৰু মুবাল্লিগ ইনচাৰ্জ শ্ৰীনগৰ আদিৰ দায়িত্ব লৈ খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। ২০১৭ চনৰ পৰা এখেতে মৃত্যুৰ সময়লৈকে ফুলটাইম মৰকজি কাজি হিচাপে খিদমত কৰাৰ সৌভাগ্য লভিছিল। বিচাৰ বিষয়ত বৰ সজাগ-সচেতনতাৰে আৰু একাগ্ৰচিত্তে নিজৰ কাম সম্পাদন কৰিছিল। কেইবা ডজন মোকৰ্দমা তেখেতে মীমাংসা কৰি থৈ গৈছে। নিজৰ দায়িত্বত থকা কামৰ প্ৰতি তেখেতে বৰ চিন্তিত থাকিছিল। কিছুদিন আগৰে পৰা মৰহুমে ক'ৰোনাত আক্ৰান্ত হৈ আছিল তেতিয়া চিকিৎসাধীন হৈ থকা অৱস্থাতও নিজৰ কামৰ বিষয়ে চিন্তা কৰিছিল। এখেতে মানুহৰ লগত মিলিব পৰা,কোমল মানসিকতা, সমস্যা সমাধানত সাহসী আৰু সচেতন ওৱাকফে জিন্দেগী আছিল। মৰহুম ভট্টি চাহাব মুচি আছিল। মৃত্যুৰ সময়ত মাতৃ আৰু তিনিজন ভায়েকৰ ওপৰিও পত্নীৰ সৈতে তিনিজনী কন্যা সন্তানক এৰি থৈ যায়। আল্লাহ তা'লা মৰহুমৰ সৈতে ক্ষমা আৰু দয়াৰ আচৰণ প্ৰদৰ্শন কৰে যেন। এখেতৰ সন্তান-সন্ততি সকলক নিৰাপত্তাৰ আবেষ্টনীত নিৰাপদে ৰাখক আৰু এখেতৰ দৰে নেকি জাৰি ৰখাৰ তৌফিক দান কৰক।

এওঁলোকৰ ওপৰি মাননীয় মালিক মহম্মদ হউছুফ ছেলিম চাহাব (ইনচাৰ্জ মুদ্ৰণ বিভাগ) মাননীয় জাবেদ ইকবাল চাহাব (ফ্যায়চালাবাদ) মাননীয়া মাদিহা নৱাজ চাহিবা পত্নী নৱাজ আহমদ চাহাব (মুৰববী ছিলছিলা ঘানা) আদি সকলোৰে চমু পৰিচয় দি হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ আত্মাৰ সদগতি কামনাৰে দোৱা কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844